# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - -**

১। এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে আজি মুম্বাইত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰোড শ্ব'ত অংশগ্ৰহণ।

২। কেন্দ্ৰীয় মীন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ আজি গুৱাহাটীত মীন খণ্ডৰ উন্নয়নৰ বাবে ৫০ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩। অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে বিগত বছৰটোত চলোৱা অভিযানত ২১ জন জেহাদীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ।

৪। ৰাজ্যৰ কেইবাখনো জিলাত আজি সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ। ***আৰু***

৫। অহা ১০ জানুৱাৰীৰ পৰা আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিবলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ঘোষিত ভাৰতীয় মহিলা দলত অসমৰ উমা ছেত্ৰী অন্তৰ্ভুক্ত।

০০০০০

অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে মুম্বাইত আয়োজিত এটা ৰোড শ্ব'ত এই বিষয়ে প্ৰকাশ কৰে। ফিক্কিৰ সহযোগত আয়োজিত এই ৰোড শ্ব'ৰ লগতে মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যম আৰু বিভিন্ন উদ্যোগ জগতৰ প্ৰতিনিধিৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এসময়ত উগ্ৰপন্থী সমস্যা আৰু অশান্তিয়ে জৰ্জৰিত কৰা অসমত সম্প্ৰতি ইতিবাচক ৰূপান্তৰ ঘটিছে। তেওঁ লগতে এডভাণ্টেজ আসাম শীৰ্ষ সন্মিলনৰ বিষয়ে সবিশেষ তথ্য নিজৰ ভাষণত দাঙি ধৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

ইয়াৰ আগেয়ে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে টাটা গোটকে ধৰি দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ গোষ্ঠীৰ নেতৃবৰ্গক সাক্ষাৎ কৰি আমন্ত্ৰণ জনায়। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিবলগীয়া এই সন্মিলনত দেশৰ লগতে বিদেশৰো ভালেসংখ্যক উদ্যোগপতি উপস্থিত থকাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী এই ভ্ৰমণ কালতে প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাবলৈ কেইবাটাও প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত ৮ হাজাৰ কোটি টকা ব্যয়ৰে বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ নিযুত

মেট্ৰিকটনলৈ বৃদ্ধি কৰা, ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং, গুৱাহাটী ৰিং ৰোড, গুৱাহাটা ভূটান সংযোগী ৰে'ল পথ নিৰ্মাণকে ধৰি কেইবাটাও প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ কাৰ্যকৰী হোৱাৰ পাছত অসমে আন্তঃগাঁথনিগত দিশত ভালেখিনি আগবাঢ়ি যাব আৰু ৰাজ্যখনৰ বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় মীন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি গুৱাহাটীত আয়োজিত এখন বৈঠকত মীন পালন খণ্ডৰ উন্নয়নৰ বাবে ৫০ কোটি টকা ব্যয়সাপেক্ষ ৫০টা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ মীন খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন, উৎপাদনশীলতা বৃদ্ধি আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। অসমত ইয়াৰ ভিতৰত ১২ টা প্ৰকল্প ৰূপায়ণ কৰা হ'ব। এই প্ৰকল্পৰ অংশ হিচাপে দৰং জিলাত সংহত একুৱা পাৰ্ক স্থাপন কৰি বছৰি ১৫০ মেট্ৰিকটন মাছ উৎপাদন কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে ১০ৰ পৰা ১৫ কোটি টকা ৰাজহ আহৰণ কৰাৰ লগতে কমেও দুহেজাৰ জন লোকৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। একেদৰে কামৰূপ জিলাত এটা মাছৰ খাদ্য উৎপাদনৰ বৃহৎ উদ্যোগে ২০ হেজাৰ মেট্ৰিকটন খাদ্য উৎপাদন কৰিব। অসমৰ উপৰি মণিপুৰত ৭টা, নাগালেণ্ড আৰু ত্ৰিপুৰাত ৩ টাকৈ আৰু ছিকিমত ২৪টা এনে প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

উল্লেখযোগ্য যে  মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ উদ্যোগত তথা ৰাজ্যৰ মীন বিভাগৰ সহযোগত আজি গুৱাহাটীত উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সংশ্লিষ্ট বিভাগ কেইটাৰ অংশগ্ৰহণেৰে এই বৈঠকৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত উত্তৰপূৰ্বাঞ্চলৰ মৎস্য ক্ষেত্ৰৰ হিতাধিকাৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়।

ooooo

অসম আৰক্ষীৰ বিশেষ কৰ্মবাহিনীয়ে বিগত বছৰটোত মাদক দ্ৰব্য আৰু কূটাঘাটকাৰীৰ বিৰুদ্ধে চলোৱা অভিযানত ২১ জন জেহাদীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আজি গুৱাহাটীৰ উলুবাৰীৰ অসম আৰক্ষী মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং আৰু গুৱাহাটীৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই এই বিষয়ে প্ৰকাশ কৰে। আৰক্ষীৰ বছৰটোৰ সাফল্যৰ খতিয়ান দাঙি ধৰি শ্ৰী সিঙে এইদৰে কয়--

**(বাইট)**

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত আজি সংশ্লিষ্ট কৰ্তৃপক্ষই সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত প্ৰথমবাৰৰ বাবে বৰপেটা জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হয়। এই উপলক্ষে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অতিৰিক্ত জিলা আয়ুক্তই সদৰি কৰা অনুসৰি বৰপেটা, চেঙা, মন্দিয়া আৰু পাকা বেতবাৰীৰ মুঠ ভোটদাতাৰ সংখ্যা ৯ লাখ ৫৬ হাজাৰ ১০৮ গৰাকী। ইয়াৰে পুৰুষ ভোটদাতা ৪ লাখ ৯২ হাজাৰ ৪৪ জন, মহিলা ভোটদাতা ৪ লাখ ৬৪ হাজাৰ ৪৫ গৰাকী আৰু তৃতীয় লিংগৰ ভোটদাতা ১৯ গৰাকী। পূৰ্বৰ তুলনাত এইবাৰ ২৫ হাজাৰ ৮৬০ গৰাকী ভোটদাতা বৃদ্ধি হৈছে বুলি অতিৰিক্ত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে বাক্সা জিলাৰ জিলা নিৰ্বাচনী বিষয়াই আজি জিলাখনৰ ৪১ নম্বৰ মানাহ বিধানসভা সমষ্টি আৰু ৪২ নম্বৰ বাক্সা বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটদাতাৰ তালিকাখন প্ৰকাশ কৰে। এই অনুসৰি মানাহ বিধানসভা

সমষ্টিত ১ লাখ ৩ হাজাৰ ৭৩৫ জন পুৰুষ আৰু ১ লাখ ২ হাজাৰ ৬১৮ গৰাকী মহিলা ভোটদাতা সমন্বিতে মুঠ ২ লাখ ৬ হাজাৰ ৩৫৩ গৰাকী ভোটদাতা আছে। বাক্সা বিধানসভা সমষ্টিত মুঠ ভোটদাতা ১ লাখ ৯৯ হাজাৰ ৫৩ গৰাকী। ইয়াৰে ভিতৰত ৯৮ হাজাৰ ৪০৫ জন পুৰুষ, ১ লাখ ৬৪৬ গৰাকী মহিলা আৰু দুগৰাকী তৃতীয় লিংগৰ ভোটদাতা।

একেদৰে বঙাইগাঁও জিলা প্ৰশাসনেও আজি জিলাখনৰ অভয়াপুৰী, সৃজনগ্ৰাম আৰু বঙাইগাঁও বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰে। এই তালিকা অনুসৰি জিলাখনৰ মুঠ ভোটদাতাৰ সংখ্যা ৫ লাখ ৭৬ হাজাৰ ৬৩৩ গৰাকী। ইয়াৰ ভিতৰত ২ লাখ ৯১ হাজাৰ ৮০ জন পুৰুষ, ২ লাখ ৮৫ হাজাৰ ৫৪৬ গৰাকী মহিলা আৰু ৭ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

শিৱসাগৰ জিলাতো আজি ডিমৌ, শিৱসাগৰ আৰু নাজিৰা বিধানসভা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰা হয়। এই অনুসৰি শিৱসাগৰ নিৰ্বাচনী জিলাৰ মুঠ ভোটদাতাৰ সংখ্যা ৫ লাখ ৬৯ হাজাৰ ৬৯৫ গৰাকী। ইয়াৰে ২ লাখ ৭৯ হাজাৰ ৮৩৪ জন পুৰুষ, ২ লাখ ৮৯ হাজাৰ ৮৫৭ গৰাকী মহিলা আৰু ৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

একেদৰে গোৱালপাৰা জিলাতো জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই চূড়ান্ত ভোটদাতাৰ তালিকাখন আনুষ্ঠিকভাৱে প্ৰকাশ কৰে। এই তালিকা অনুসৰি জিলাখনৰ মুঠ ভোটদাতাৰ সংখ্যা ৭ লাখ ৯৭ হাজাৰ ৮৪৬ গৰাকী।

শোণিতপুৰ জিলাত আজি প্ৰকাশিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি জিলাখনৰ ঢেকীয়াজুলি, বৰচলা, তেজপুৰ, ৰঙাপাৰা আৰু নাদুৱা বিধানসভা সমষ্টিৰ মুঠ ভোটদাতাৰ সংখ্যা ৯ লাখ ৬৯ হাজাৰ ৩৭৯ গৰাকী। ইয়াৰে ৪ লাখ ৭৯ হাজাৰ ৮৩০ জন পুৰুষ, ৪ লাখ ৮৯ হাজাৰ ৫২৬ গৰাকী মহিলা আৰু ২৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা।

দৰং জিলাতো জিলা আয়ুক্তই আজি দৰং নিৰ্বাচনী জিলাৰ চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰে। তালিকা অনুসৰি জিলাখনত মুঠ ভোটদাতাৰ সংখ্যা ৭ লাখ ২৫ হাজাৰ ৫১৭ গৰাকী। ইয়াৰে ৩ লাখ ৬৫ হাজাৰ ৮৭২ জন পুৰুষ আৰু ৩ লাখ ৫৯ হাজাৰ ৬২৭ গৰাকী মহিলা ভোটদাতা।

ooooo

বিদ্যালয়সমূহৰ গুণগত শিক্ষাৰ মান উন্নীতকৰণৰ পদক্ষেপ হিচাপে আজি চলিত বছৰৰ গুণোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। ২০১৭ চনৰ পৰা ৰূপায়ন কৰা এই কাৰ্যসূচীয়ে পাঁচবাৰকৈ সফলতা লাভ কৰাৰ পাছত আজিৰেপৰা ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত আজি ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰৰো অধিক বিদ্যালয় সামৰি লোৱা হ'ব। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত বিদ্যালয়সমূহত স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৯ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। এই ১১ খন জিলাৰ ১৬ হাজাৰ ৫৬ খন চৰকাৰী প্ৰাদেশীকিকৃত আদৰ্শ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়ক সামৰি লোৱা হ'ব। গুণোৎসৱত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১৪ লাখ ১১ হাজাৰ ৮৭৮ গৰাকী শিক্ষাৰ্থীৰ মূল্যায়ণ কৰা হ'ব। এই কাৰ্যসূচীত ৬ হেজাৰ ৩৬৫ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, কাৰ্যনিৰ্বাহক সদস্যৰ উপৰি চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰিব।

বৰপেটা জিলাতো আজি গুণোৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। জিলাখনৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান, দক্ষিণ বৰপেটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি প্ৰাতঃ সভাৰ জৰিয়তে গুণোৎসৱৰ শুভাৰম্ভ

কৰা হয়। জিলাখনৰ ৭টা শিক্ষা খণ্ডৰ দুহেজাৰ খনৰো অধিক শিক্ষানুষ্ঠান আৰু ২ লাখ ৩০ হাজাৰ ৮৪২ গৰাকী ছাত্ৰ-ছাত্ৰীক লৈ গুণোৎসৱৰ আয়োজন কৰা হৈছে।

শিৱসাগৰ জিলাৰ এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰ ৭১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্যসূচীৰ তৃতীয় দিনা শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগু বহিঃমূল্যায়ক ৰূপে উপস্থিত থাকিব। জিলাখনত এই কাৰ্যসূচীৰ বাবে ৪৮২ গৰাকী বিহঃমূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক আৰু এহেজাৰ ২৪১ গৰাকী শিক্ষকক দায়িত্ব দিয়া হৈছে। গুণোৎসৱৰ মূল্যায়ন ৯ জানুৱাৰী পৰ্যন্ত চলিব। জিলাখনত যোৱা বছৰ ৮৯৯ খন বিদ্যালয়ে গুণোৎসৱৰ সময়ত এ গ্ৰেড লাভ কৰে।

00000

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম মহাবিদ্যালয় শিক্ষক সংস্থাই আজি আৰম্ভ হোৱা গুণোৎসৱত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গুৱাহাটীৰ পল্টন বজাৰত আজি আয়োজিত এখন সংবাদ মেলত সংস্থাৰ সভাপতি জয়ন্ত বৰা আৰু সাধাৰণ সম্পাদক পৰাগজ্যোতি মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পদোন্নতিৰ দাবীকে ধৰি আন কেতবোৰ বিষয় মীমাংসা নোহোৱাত মহাবিদ্যালয়ৰ শিক্ষকসকলে গুণোৎসৱ বৰ্জনৰ সিদ্ধান্ত লৈছিল। কিন্তু শিক্ষা মন্ত্ৰীগৰাকীয়ে জনোৱা আহ্বান মৰ্মে তথা ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ শিক্ষকসকলৰ স্বাৰ্থত গুৰুত্ব আৰোপ কৰি এই অসহযোগ কাৰ্যসূচী এমাহৰ বাবে স্থগিত ৰখা বুলি সংস্থাৰ নেতৃবৃন্দই সদৰি কৰে।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত গোচৰসমূহৰ শুনানি কাইলৈ পুনৰ গ্ৰহণ কৰিব। এই গোচৰসমূহক লৈ ন্যায়ালয়ত চলি থকা শুনানিৰ অংশ হিচাপে আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ বিচাৰপীঠত গোচৰীয়া পক্ষ আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই নিজ পক্ষৰ যুক্তি দাঙি ধৰে। আজি শুনানি কালত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ে আৰোপ কৰা স্থগিতাদেশ প্ৰত্যাহাৰৰ বাবেও আবেদন জনোৱা হয় যদিও ন্যায়ালয়ে এই ক্ষেত্ৰত চৰকাৰক সেউজ সংকেত প্ৰদান নকৰিলে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ লোকে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। কাইলৈ পুনৰ এই গোচৰসমূহৰ শুনানি লোৱা হ'ব।

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ জনবসতিপূৰ্ণ অঞ্চলসমূহত শেহতীয়াকৈ মানুহ আৰু বন্য প্ৰাণীৰ মাজত দেখা দিয়া সংঘাট দূৰ কৰাৰ বাবে উপায় উদ্ভাৱন কৰিবলৈ আজি বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ উপস্থিতিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শেহতীয়াকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৱৰ্তী অঞ্চলসমূহৰ ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই আলোচনাকালত গ্ৰহণ কৰা সিদ্ধান্তই অদূৰ ভৱিষ্যতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৰাইজক সকাহ দিয়াৰ উপৰি বন্য প্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰিব বুলি মন্ত্ৰী পাটোৱাৰীয়ে প্ৰকাশ কৰে। বৈঠকত লগতে এই অঞ্চলসমূহত বাস কৰা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাও অংশগ্ৰহণ কৰে। বন মন্ত্ৰীগৰাকীয়ে আজি কাজিৰঙাৰ কঁহৰাত নিৰ্মাণ কৰি উলিওৱা কাজিৰঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনকালত মন্ত্ৰী শ্ৰী বৰাও উপস্থিত থাকে।

০০০০০

বড়োলেণ্ডৰ প্ৰথমগৰাকী ছহিদ সুজিত নাৰ্জাৰীৰ সোঁৱৰণত বি টি চি পৰিষদীয় চৰকাৰে বি টি আৰৰ ৪০ টা সমষ্টিৰ বাবে আৱণ্টন দিয়া প্ৰেক্ষাগৃহৰ প্ৰথমটো আজি জিলাখনৰ কলাইগাঁৱত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী বড়োৱে ৰাইজক শান্তি শৃংখলা অটুট ৰাখি উন্নয়নকামি সমাজ গঢ়াৰ বাবে আহ্বান জনায়। শ্ৰী বড়োৱে আজি কলাইগাঁৱৰ ৰনথলীত ৫ কোটি টকা ব্যয় সাপেক্ষে বি টি চি পৰিষদীয় চৰকাৰে নিৰ্মাণ কৰিবলগীয়া বীৰ চিলাগাং ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

অহা ১০ জানুৱাৰীৰ পৰা আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড-বিচিচিআইয়ে ১৫ জনীয়া ভাৰতীয় মহিলা ক্ৰিকেট দলটো ঘোষণা কৰিছে। অধিনায়ক হৰমন প্ৰীত কৌৰ আৰু প্ৰধান পেচ ব'লাৰ ৰেণুকা সিঙক এই শৃংখলাত জিৰণি দিয়া হৈছে। তাৰ পৰিৱৰ্তে স্মৃতি মান্ধানাক দলটোৰ অধিনায়ক আৰু  দিপ্তী শৰ্মাক সহ-অধিনায়কৰ দায়িত্ব প্ৰদান কৰা হৈছে। উইকেট ৰক্ষক হিচাপে ৰিছা ঘোষ আৰু অসমৰ উমা চেত্ৰীক দলত অন্তৰ্ভুক্ত কৰা হৈছে। দলটোৰ আন সদস্যসকল হৈছে প্ৰতীকা ৰাৱল, হৰলিন  দেওল, জেমাইমা ৰ'দ্ৰিগছ্‌, তেজল হাছাৱনিচ, ৰাঘৱী বিষ্ট, মিন্নু মণি, প্ৰিয়া মিশ্ৰ, তনুজা কাঁৱাড়, তিতাছ সাধু, ছাইমা ঠাকুৰ আৰু ছায়ালী ছাতঘড়ে। শৃংখলাৰ প্ৰথমখন খেল ১০ জানুৱাৰী, দ্বিতীয়খন খেল ১২ আৰু তৃতীয়খন খেল ১৫ জানুৱাৰীত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, তিনিওখন খেল ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত